

## গোৱালপাৰা মহাবিদ্যালয়ত গ্ৰন্থ উন্মোচনী সভা

# অৱসৰী অধ্যাপক শৈলেনজিৎ শৰ্মাৰ ব্যতিক্ৰমী প্ৰয়াস

**প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ২৯ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক শৈলেনজিৎ শৰ্মাই ব্যতিক্ৰমধৰ্মী তিনিদিনীয়া কাৰ্যসূচীৰ জৰিয়তে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। ইয়াৰে প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি অধ্যাপক শৈলেনজিৎ শৰ্মাই ৩৭ বছৰ চাকৰি কৰাৰ বাবে মহাবিদ্যালয় প্ৰাংগণত ৩৭ জোপা মূল্যৱান গছৰ পুলি ৰোপণ কৰে। দ্বিতীয় দিনা সন্ধিয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সন্ধিয়া গোৱালপাৰা মহাবিদ্যালয়ৰ পৰিবেশ্য কলা কেন্দ্ৰৰ উদ্যোগত শৈলেনজিৎ শৰ্মাৰ ৰচনা আৰু পৰিচালনা, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনৰ ব্যৱস্থাপনা আৰু প্ৰযোজনাত 'এটি ঘৰত দুটি মানুহ' নামৰ এখন নাটক মঞ্চস্থ কৰা হয়। উক্ত অনুষ্ঠানত হাব্ৰাঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণ্টু কুমাৰ দাস, গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মন, বিশিষ্ট নাট্যকাৰ উদয় শংকৰ দে'কে আদি কৰি শতাধিক নাট্যপ্ৰেমী লোক উপস্থিত থাকে। আজি অন্তিম দিনা গোৱালপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিদায়ী অধ্যাপক শৈলেন শৰ্মাৰ অৱসৰৰ দিনাই 'নাট্যকৰণি' নামৰ গ্ৰন্থ এখন উন্মোচন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে বন্তি প্ৰজ্বলন কৰা সভাত বিশিষ্ট সাহিত্যিক, সমালোচক, চিন্তাবিদ ড° দয়ানন্দ পাঠকে গ্ৰন্থখন উন্মোচন কৰে। অধ্যাপক যুগব্ৰত দাসে আঁত ধৰা সভাত মুখ্য অতিথি হিচাপে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° অৰনী কুমাৰ ভাগৱতী আৰু দুই প্ৰাক্তন বিধায়ক তথা প্ৰাক্তন অধ্যাপক ক্ৰমে দেৱান জয়নাল আবেদিন আৰু জ্যোতিষ দাসেও উপস্থিত থাকি ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে মহাবিদ্যালয়খনত বিদায়ী অধ্যাপক শৈলেনজিৎ শৰ্মাৰ অৱদান সম্পৰ্কে উল্লেখ কৰি শৰ্মাই মহাবিদ্যালয়খনত নাটকৰ যি ধাৰাৰ সৃষ্টি কৰিছে সেয়া চিৰযুগমীয়া হৈ থাকিব বুলিও কয়। ভাষণ প্ৰসংগত বিশিষ্ট সাহিত্যিক, সমালোচক, চিন্তাবিদ ড° দয়ানন্দ পাঠক আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিয়ে অৱসৰী অধ্যাপক শৈলেনজিৎ শৰ্মাৰ কৰ্মৰাজিৰ ভূয়সী প্ৰশংসা কৰে।